This Question Paper consists of 27 questions and 4 printed pages.
এই প্ৰশ্নকাকতত 27 খন প্ৰশ্ন আৰু 4 ছপা পৃষ্ঠা আছে।

Roll No. | | | | | | | | | | | | |
ৰোল নং.

**Code No. 60/S/A/A**
কোড নং.

Set / সেট - **A**

# ASSAMESE
# (অসমীয়া)
# (228)

**Day and Date of Examination**
**(পৰীক্ষাৰ দিন আৰু তাৰিখ)** ____________________

**Signature of Invigilators** 1. ____________________
**(তত্ত্বাৱধানকাৰীসকলৰ স্বাক্ষৰ)**

2. ____________________

## সাধাৰণ নিৰ্দেশাৱলী ঃ

1 প্ৰশ্নকাকতৰ প্ৰথম পৃষ্ঠাত পৰীক্ষাৰ্থীয়ে নিজৰ ৰোল নং সঠিককৈ লিখিব ।

2 পৰীক্ষাৰ্থীয়ে প্ৰশ্নকাকতৰ প্ৰথম পৃষ্ঠাৰ শীৰ্ষত উল্লেখ কৰা মতে প্ৰশ্ন বহীখনত মুঠ প্ৰশ্নৰ সংখ্যা ক্ৰমানুসাৰে আছে নে নাই আৰু পৃষ্ঠাৰ সংখ্যা ঠিক মতে আছে নে নাই নিশ্চিত হৈ লব লাগিব ।

3 সকলোবোৰ প্ৰশ্নৰ উত্তৰ নিৰ্দিষ্ঠ সময়ৰ ভিতৰত কৰিব লাগিব ।

4 নিৰ্দিষ্ঠ স্থানৰ বাহিৰে প্ৰশ্ন-উত্তৰ বহীৰ অন্য কোনো স্থানত ৰোল নং বা পৰীক্ষাৰ্থীৰ চিনাক্তকৰণৰ যি কোনো তথ্য লিখিলে পৰীক্ষাৰ্থীৰ পৰীক্ষা বাতিল হব ।

5 উত্তৰ বহীত প্ৰশ্নকাকতৰ সাংকেতিক সংখ্যা **60/S/A/A, Set - A** উল্লেখ কৰিব ।

# ASSAMESE

(অসমীয়া)

**(228)**

সময় : 3 ঘন্টা ] [পূৰ্ণমান : 100

নিৰ্দেশা ঃ সকলো প্ৰশ্নৰ উত্তৰ কৰা বাঞ্ছনীয় । প্ৰতিটো প্ৰশ্নৰ কাষত নম্বৰ দিয়া আছে ।

1 তোমাৰ পাঠৰ 'কাকূতি' নামৰ বৰগীতটি কাৰ ৰচনা ? 1

2 'গড়গাওঁ' কবিতাটিত কোনে সদায় লাজ পাই বুলি কৈছে ? 1

3 কবিয়ে কাৰ বাবে জীয়াই আছে ? 1

4 সময় থাকোঁতে কি গোটাব লাগে বুলি 'জীৱন জেউতি' কবিতাটিত কোৱা হৈছে ? 1

5 'বৰবৰুৱাৰ গাত চ'তৰ বিহু' পাঠটোৰ লেখক কোন ? 1

6 ১৯৬০ চনৰ জনগণনাৰ প্ৰতিবেদন অনুসৰি ভাৰতত কিমানটা ভাষা কোৱা হয় ? 1

7 তোমাৰ পাঠৰ মহিম বৰা দেৱে লিখা গল্পটিৰ নাম কি ? 1

8 ঘুনুচাৰ ল'ৰাটোৰ নাম কি ? 1

9 মানুহৰ এবছৰে দেৱতাৰ কিমান দিন বুলি কোৱা হয় ? 1

10 মণিৰাম দেৱানৰ প্ৰকৃত নামটো লিখা । 1

11 কাকুতি (বৰগীত) কবিতাটিত কবিয়ে নিজক কাৰ লগত তুলনা কৰিছে ? 2

12 সূৰ্যৰ আগমনত কি কি ফূল জয় পৰে আৰু কি ফূল ফুলে ? 2

13 কণমাই কোন ? কনমায়ে ইদৰ দান কিয় গ্ৰহণ নকৰিলে ? 2

14 গড়গাওঁ দেখি মাৰ নাও উভতিব খোজাৰ কাৰণ কি ? 3

15 গড়টোৱে কি ভাবি অৰণ্যলৈ গৈছিল ? 3

16 শৰৎকালত বণিক মুনি আৰু ৰজা সকলে কি কৰে ? 3

17 প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা : 5×2=10

(ক) ভাৰতীয় সংস্কৃতি এক সমন্বয়ৰ বস্তু ।

(খ) হৰাইলা চেতন হৰি নজানো কি মতে তৰি
শুনিতে দগধ ভৈল জীৱ ।
লোভ মোহ দুহো বাঘ সততে নছাড়ে লাগ
ৰাখু ৰাখু সদাশিব ।

18 'জনমভূমি' নাইবা 'গড়গাওঁ' কবিতাটিৰ মূলভাৱ লিখা । 6

19 'সময়ৰ টিকনিডাল হেনো আগফালে' - বহলাই বুজাই লিখা । 5

20 ''আজি তই যি অন্তৰ্বিপ্লৱ আনি ৰাজকাৰেঙত সুমুৱালিহি, ভায়ে ভায়ে বিবাদ লগালিহি, এয়ে খাণ্ডৱদাহনত পৰিনত হ'ব ।'' - বুজাই লিখা । 4

21 তোমাৰ অঞ্চলত সঘনাই বিজুলী যোগান ব্যাহত হয় । ইয়াৰ সমাধান বিচাৰি বাতৰি কাকতৰ সম্পাদকৰ জৰিয়তে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদলৈ এখন চিঠি লিখা । 8

22 এটা শব্দত প্ৰকাশ কৰা : (যি কোনো পাঁচটা) 1×5=5

বনত ফুৰে যি, যাক বিশ্বাস কৰিব নোৱাৰি, বিদেশৰ পৰা অহা লোক, যি জুই নুমাই গ'ল, ৰজাৰ প্ৰতি যি ভক্ত, যাৰ কোনো আশ্ৰয় নাই, একে মাকৰ সন্তান ।

23 বাক্য ৰচনা কৰা : (যি কোনো পাঁচটা) 1×5=5

কঁকালত টঙালি বান্ধ, জাকত জিলিকা, কপাল ফুটা, বাট কুৰি বাই, নোহোৱা-নোপোজা, ছেগা-চোৰোকাকৈ ।

24 সন্ধি ভাঙা আৰু পাতা : (যি কোনো পাঁচটা) 1×5=5

নিৰোগ, হস্তান্তৰ, সূৰ্যোদয়, ৰণ + উৰা, মিছা + অলীয়া, যথা + অৰ্থ ।

25 বিপৰীতাৰ্থক শব্দ লিখা : (যি কোনো পাঁচটা) 1×5=5

অনুকুল, শত্ৰু, ওচৰত, পোহৰ, বৰ্জন, দুখীয়া ।

26 ভাৱ-সম্প্ৰসাৰণ কৰা : (যি কোনো দুছোৱা) 6×2=12

(ক) মিছা কথাৰ ঠেং চুটি ।

(খ) পুথি অধ্যয়ন বিদ্যা উপাৰ্জনৰ ঘাই উপায় ।

(গ) স্বাৰ্থৰ বাটত দুখৰ কাঁইট
খোজে পতি বিন্ধে হুলে
নিস্বাৰ্থৰ বাট সেন্দুৰীয়া আলি
সুগন্ধি কুসুম ফুলে ।

27 তলৰ যি কোনো এটা বিষয় বাছিলৈ এখন ৰচনা লিখা : 10

অসমৰ বাতৰিকাকত, তোমাৰ জীৱনৰ লক্ষ্য,

ছাত্ৰ জীৱনৰ কৰ্তব্য, তোমাৰ প্ৰিয় গ্ৰন্থ ।

---